**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৪০/২০১৯**

## শোণিতপুৰত দান বৰঙণি সংগ্ৰহত জিলা প্ৰশাসনৰ নিষেধাজ্ঞা

**তেজপুৰ, ২৩ ডিচেম্বৰ :** জিলাখনৰ বিভিন্ন এলেকাত বিশেষভাৱে ৰাষ্ট্ৰীয় ঘাই পথত যাত্ৰী তথা মালবাহী বাহন বলপূৰ্বকভাৱে ৰখাই বহু সংগঠন, তথা কমিটি আদিয়ে বাহনৰ চালক তথা যাত্ৰীৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি লগতে সম্ভাব্য দুৰ্ঘটনা প্ৰতিৰোধৰ স্বাৰ্থত শোণিতপুৰ জিলা দণ্ডাধীশে ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত এনে কাৰ্য ৰোধ কৰাৰ স্বাৰ্থত এক নিষেধাজ্ঞা জাৰি কৰিছে।

সেই অনুসৰি তেনে অনুষ্ঠান-প্ৰতিষ্ঠানে জিলাখনৰ কোনো ঠাইতে দান-বৰঙণি সংগ্ৰহৰ বাবে কোনো বাহন বলপূৰ্বকভাৱে ৰখাব নোৱাৰিব আৰু কোনো বাহনৰ পৰা দান বৰঙণি সংগ্ৰহ কৰাটো নিষিদ্ধ কৰিছে । তদুপৰি কোনো ব্যক্তিগত গৃহ, দোকান তথা ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰখানা আদিৰ পৰা বলপূৰ্বক দান বৰঙণি সংগ্ৰহৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। তৎকালিন ভাৱে বলবৎ কৰা এই নিষেধাজ্ঞা পৰবৰ্ত্তী জাননী নিদিয়া পৰ্যন্ত সমগ্ৰ জিলাখনতে বাহাল থাকিব।